**অসম বিধান সভা**
তৰা বিহিন প্ৰশ্ন নং- ১৮
**উত্তৰ দিয়া তাৰিখ : ০৬/০৭/২০২৬**

বিষয় : দক্ষতা বিকাশ।

বিধায়কৰ নাম : শ্ৰীহিমাংশু শেখৰ বৈশ্য

**<u>প্ৰশ্ন:</u>**

মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দ্বাৰা এগৰাকী ছাত্ৰ বা ছাত্ৰী নতুবা আগ্ৰহী লোকে সফল উদ্যোগী হ'বলৈ কিদৰে সক্ষম হ'ব পাৰে তথ্য সমূহ সদনত দাখিল কৰিব ?

**<u>উত্তৰ:</u>**

মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

ক) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী অথবা ইচ্ছুক যুৱক-যুৱতী সকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত আগ্ৰহ একে ধৰণৰ নহয় সেয়েহে এই ক্ষেত্ৰত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহৰ ওপৰত ভিত্তি কৰি বিভিন্ন হ্ৰস্বম্যাদী প্ৰশিক্ষণ কাৰ্যসূচী হাতত লয় । ইয়াৰোপৰি ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰণালয়ৰ অধীনৰ গুৱাহাটীৰ লালমাটিত অৱস্থিত Indian Institute of Entrepreneurship (IIE) এ উদ্যোগী যুৱক-যুৱতী সকলক উদ্যোগী হ'বলৈ বিভিন্ন আঁচনি হাতত লৈছে ।

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধিনত অসমত মুঠ ১৫০ খন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) আছে, ইয়াৰ ভিতৰত ৪৫ খন চৰকাৰী, ৭৯ খন বেচৰকাৰী আৰু ২৬ খন PPP পদ্ধতিত পৰিচালিত। এই উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) সমূহত মুঠ ৫৯ টা ট্ৰেডত প্ৰশিক্ষণ প্ৰদান কৰা হয়। ITI-ৰ প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰাৰ পিছত প্ৰশিক্ষাৰ্থী সকলে কাৰিকৰী দক্ষতা, ব্যৱহাৰিক জ্ঞান আৰু এখন স্বীকৃতি প্ৰাপ্ত প্ৰমাণ পত্ৰ লাভ কৰে । লাভ কৰা প্ৰমাণ পত্ৰৰ সহায়ত তেওঁলোকে বিভিন্ন উদ্যোগ, প্ৰতিষ্ঠানত ইত্যাদিত প্ৰযোজ্য যোগ্যতা পূৰণ সাপেক্ষে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব পাৰে । ইয়াৰ উপৰিও, ITI-ত লাভ কৰা জ্ঞান আৰু দক্ষতাৰ ভিত্তিত তেওঁলোকে স্ব- নিয়োজিত হোৱাৰ লগতে নিজাববীয়াকৈ উদ্যোগ স্থাপন কৰি উদ্যোগীকৰণৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে। এই সংক্ৰান্তত প্ৰশিক্ষাৰ্থী সকলক এণ্টাৰপ্ৰেনিউৰশ্বিপ ডেভেলপমেণ্ট প্ৰগ্ৰামৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা লোৱা হয়।

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধিনস্থ অসম দক্ষতা বিশ্ববিদ্যালয়ত ৰাজ্যৰ যুৱসমাজক উদ্যোগ-উপযোগী দক্ষতা, আধুনিক প্ৰযুক্তিগত জ্ঞান আৰু কৰ্মসংস্থাপনৰ উপযোগী শিক্ষা প্ৰদানৰ উদ্দেশ্যে স্থাপন কৰা হৈছে। বিশ্ববিদ্যালয়খনত দক্ষতা ভিত্তিক পাঠ্যক্ৰম সমূহ National Skill Qualification Framework (NSQF)-ৰ সৈতে সংলগ্ন কৰি প্ৰস্তুত কৰা হৈছে, যাতে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ লগতে ব্যৱহাৰিক অভিজ্ঞতাও লাভ কৰে।

বিশ্ববিদ্যালয় খনত বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানৰ সৈতে বুজা বুজি (MoU) সম্পাদন কৰা হৈছে, যাৰ জৰিয়তে শিক্ষানবিশ (Internship), উদ্যোগভিত্তিক প্ৰশিক্ষণ আৰু নিযুক্তিৰ সুবিধা সুনিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছে। তথ্য-প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা (AI), তথ্যবিজ্ঞান (Data Science), কৃষি আৰু খাদ্য প্ৰযুক্তি, পৰ্যটন, স্বাস্থ্য সেৱা আদি খণ্ডত চাহিদা ভিত্তিক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

ইয়াৰ উপৰিও, বিশ্ববিদ্যালয়খনে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম দক্ষতা বিশ্ববিদ্যালয় হিচাপে আধুনিক পৰীক্ষাগাৰ, উৎকৰ্ষ কেন্দ্ৰ, উদ্যোগ-সংলগ্ন শিক্ষা ব্যৱস্থা আৰু উদ্যোগিতা বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। মঙ্গলদৈত স্থায়ী কেম্পাছ গঢ়ি তোলা হৈছে আৰু ইতিমধ্যে শিক্ষা কাৰ্য আৰম্ভ হৈছে।

----------x-----------